**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 3-12-2024 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## HEDLINE

১। অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত হ'বলগীয়া অসম বিনিয়োগকাৰীক আন্তগাঁথনি সন্মিলনত প্ৰধানমন্ত্ৰীৰ উপস্থিতি নিশ্চিত।

২। ৰাজ্যজুৰি আজিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ উদযাপন।

৩। বাংলাদেশৰ হিন্দু সম্প্ৰদায়ৰ ওপৰত আক্ৰমণ আৰু হিন্দু ধৰ্মগুৰুৰ ওপৰত উৎপীড়নৰ ঘটনাত ভাৰতৰ গভীৰ উদ্বেগ প্ৰকাশ।

৪। কোহিমাৰ সমীপৰ কিচামা গাঁৱত অনুষ্ঠিত হৰ্ণ বিল মহোৎসৱ দেশী-বিদেশী পৰ্যটকৰ উপস্থিতিত মুখৰ।

*আৰু*

৫। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত গুৱাহাটী মাষ্টাৰ্ছ হাণ্ড্ৰেদ, ২০২৪ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ৰাজ্যত চলি থকা বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী সন্দৰ্ভত বৈঠকত অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্যত হ'বলগীয়া অসম বিনিয়োগকাৰী আৰু আন্তঃগাথনি সন্মিলনৰ লগতে ঝুমুৰ নৃত্য প্ৰদৰ্শন অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীৰ এই আমন্ত্ৰণ গ্ৰহণ কৰি শ্ৰীমোদীয়ে অনুষ্ঠানত উপস্থিত থকাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে ডঃ শৰ্মাই অসমত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা উন্নয়নমূলক পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীকো সাক্ষাৎ কৰে। তদুপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সন্দৰ্ভতো কেন্দ্ৰীয় নেতৃত্বৰ লগত আলোচনা কৰে।

০০০০০০০

সমগ্ৰ অসমত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। ভাৰতবৰ্ষৰ ভিতৰতে প্ৰথমবাৰৰ বাবে ৰাজ্যত আৰম্ভ কৰিবলৈ লোৱা স্বাস্থ্য সেৱা উৎসৱৰ লক্ষ্য হৈছে- সামগ্ৰিকভাৱে ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ আন্তঃগাঁথনি উন্নীত কৰাৰ লগতে জনসাধাৰণক গুণগত মান সম্পন্ন স্বাস্থ্য সেৱা প্ৰদান কৰা। এই উৎসৱৰ সময়ছোৱাত ৰাজ্যৰ প্ৰায় এহেজাৰ ছশ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব।

ৰাজ্যৰ আন প্ৰান্তৰ লগতে মাজুলীৰ ১৬টা কেন্দ্ৰত আজি এই উৎসৱ উদযাপন কৰা হ'ব। এই বিষয়ে সবিশেষ জনাইছে আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই....

*(বাইট)*

মাজুলীৰ উপৰি **কামৰূপ** মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰ, **শিৱসাগৰৰ** ৪৫ খন চিকিৎসালয়, **তিনিচুকীয়াৰ** ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠান, **গোলাঘাট** জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়, **চৰাইদেউ** জিলাৰ ৩৮ খন চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়, **বঙাইগাওঁ** জিলাৰ ২৯ টা স্বাস্থ্যকেন্দ্ৰ, **ওদালগুৰি** জিলাৰ ৫০ খন চিকিৎসালয়, **চিৰাং** জিলাৰ ৩৪টা স্বাস্থ্য কেন্দ্ৰ, **নলবাৰী** জিলাৰ ৫৮ খন চিকিৎসালয় আৰু **দক্ষিণ শালমাৰা মানকাছৰ** জিলাৰ হাটশিঙিমাৰীৰ ১৭ টা স্বাস্থ্যকেন্দ্ৰতো এই কাৰ্যসূচী ৰূপায়ণ কৰা হব।

০০০০০০

আজি আন্তৰ্জাতিক দিব্যাংগ দিৱস। সমগ্ৰ বিশ্বই প্ৰতিগৰাকী দিব্যাংগৰ অধিকাৰ আৰু সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰাৰ লক্ষ্যৰে প্ৰতিবছৰে ৩ ডিচেম্বৰৰ দিনটো আন্তৰ্জাতিক দিব্যাংগ দিৱস হিচাপে পালন কৰি আহিছে। অসমতো আজি এই দিনটো ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হ'ব। দিব্যাংগ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিব্যাংগসকললৈ শুভেচ্ছা জনাই কয়, যে এখন সুস্থ সবল আৰু নিকা সমাজ গঢ়িবলৈ প্ৰতিগৰাকী ব্যক্তিৰ সমাজ জীৱনলৈ আশানুৰূপ অৰিহণা নিতান্তই প্ৰয়োজন। তেওঁ লগতে জীৱন সংগ্ৰামৰ সৈতে হাৰ নমনা দিব্য অংগৰ অধিকাৰী প্ৰতিগৰাকী ব্যক্তিয়ে আজি সমগ্ৰ বিশ্বৰে মানৱ সম্পদ বুলিও উল্লেখ কৰে।

এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিব্যাংগ লোকসকলৰ সবলীকৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা ৩৩ গৰাকী ব্যক্তি আৰু প্ৰতিষ্ঠানক আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিব। অনুষ্ঠানত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড° বীৰেন্দ্ৰ কুমাৰে দিবাংগসকলৰ জীৱন সুগম কৰি তোলাৰ উদ্দেশ্যে গ্ৰহণ কৰা ১৬টা বিশেষ পদক্ষেপৰ কথা ঘোষণা কৰিব। সামাজিক পৰিৱৰ্তনক উৎসাহিত কৰাৰ উদ্দেশ্যে চৰকাৰী আৰু বে-চৰকাৰী সংস্থাৰ প্ৰতিনিধি, বিশেষজ্ঞ আৰু বিভিন্ন ক্ষেত্ৰৰ হিতাধিকাৰীক একত্ৰিত কৰাই এই দিৱসৰ মূল উদ্দেশ্যে।

০০০০০০

বাংলাদেশৰ হিন্দু সম্প্ৰদায়ৰ ওপৰত আক্ৰমণ আৰু হিন্দু ধৰ্মগুৰুৰ ওপৰত উৎপীড়নৰ ঘটনাত ভাৰতে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে কয়, যে এই বিষয় সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাৰ্কিন ৰাষ্ট্ৰপতি জ'ৰাইডেনৰ সৈতে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই বাংলাদেশত অতি সোনকালে স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ পোষকতা কৰাৰ লগতে কয়, যে দেশখনৰ অন্তৰৱৰ্তীকালিন চৰকাৰখনে সংখ্যালঘূ বিশেষকৈ হিন্দুসকলৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰা উচিত। উল্লেখযোগ্য যে দেশখনত যোৱা কিছুদিন ধৰি হিন্দুসকলৰ ওপৰত আক্ৰমণ অব্যাহত আছে আৰু ইস্কনৰ ধৰ্মগুৰুৰ গ্ৰেপ্তাৰৰ পাছত পৰিস্থিতিৰ অধিক অৱনতি ঘটে। সংবাদ মাধ্যমৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি দেশখনৰ অন্তৰৱৰ্তীকালীন চৰকাৰে দায়িত্ব গ্ৰহণ কৰাৰ পাছতে প্ৰধানমন্ত্ৰী মোদীয়ে চৰকাৰখনৰ মুৰববী মহম্মদ ইউনিছক বাংলাদেশৰ সংখ্যালঘূসকলৰ সুৰক্ষাৰ

বিষয়টো উত্থাপন কৰিছিল। বিদেশ পৰিক্ৰমা মন্ত্ৰ্যালয়ে দেশখনৰ অন্তৰৰ্তী চৰকাৰখনক হিন্দুৰ লগতে আন সংখ্যালঘূ লোকসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ আহ্বান জনাই আহিছে।

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত সৃষ্টি হোৱা সাম্প্ৰদায়িক হিংসাৰ প্ৰতিবাদত লোক জাগৰণ মঞ্চ অসমৰ ধুবুৰী জিলা সমিতিৰ উদ্যোগত আজি ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত এখন প্ৰতিবাদী সভাৰ লগতে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই খেলপথাৰৰ পৰাই জিলা উপায়ুক্তৰ কাৰ্যালয়লৈ এটা প্ৰতিবাদী সমদল উলিওৱা হ'ব বুলিও আমাৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে, বাংলাদেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ বিৰুদ্ধে লোক জাগৰণ মঞ্চই সমগ্ৰ দেশতে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে।

০০০০০০

বাংলাদেশ চৰকাৰে কালি আগৰতলাস্থিত বাংলাদেশৰ উপ-উচ্চায়ুক্তৰ কাৰ্যালয়ত বিক্ষোভকাৰীয়ে আক্ৰমণ কৰা ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সেই দেশৰ চৰকাৰে কূটনৈতিক চেনেলেৰে যোৱানিশা ভাৰতৰ পৰৰাষ্ট্ৰ মন্ত্ৰ্যালয়ৰ ওচৰত আনুষ্ঠানিকভাৱে এই ঘটনাত ক্ষোভ প্ৰকাশ কৰে আৰু এই ঘটনা ১৯৬১ চনৰ ভিয়েনা চুক্তিৰ পৰিপন্থী বুলি মন্তব্য কৰে। বাংলাদেশে এই ঘটনাৰ বিশদ তদন্ত কৰিবলৈ ভাৰত চৰকাৰক আহ্বান জনায় আৰু ভাৰতত থকা বাংলাদেশৰ সকলো কূটনৈতিক কাৰ্যালয় আৰু বিষয়া-কৰ্মচাৰীৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আহ্বান জনাইছে বুলি আকাশবাণীৰ ঢাকাৰ সংবাদদাতাই জনাইছে।

০০০০০০

আজি অধিবক্তা দিৱস। গুৱাহাটী উকীল সন্থাই পাণবজাৰৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত চৌহদত এই দিৱস উদযাপন কৰিব। এই উপলক্ষে সন্থাই এটা পদযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে কেইবাগৰাকী জ্যেষ্ঠ অধিবক্তাক সম্বৰ্ধনা জ্ঞাপন কৰিব। এই সন্দৰ্ভত অধিক জানিবলৈ সংযুক্ত হৈছো আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাৰ সৈতে....

*(বাইট)*

০০০০০০

কহিমাৰ সমীপৰ কিচামাত চলি থকা হৰ্ণ বিল মহোৎসৱৰ আনন্দত সমগ্ৰ নাগালেণ্ড আত্মহাৰা হৈ পৰিছে। মহোৎসৱৰ কালি দ্বিতীয় দিনাৰ কাৰ্যসূচীত চৰকাৰী হিচাপমতেই প্ৰায় ১৮ হাজাৰ পৰ্যটকে অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত ৪২৮ গৰাকী বিদেশী পৰ্যটক আৰু ৪ হাজাৰ ৬৯৮ গৰাকী দেশীয় পৰ্যটক আছিল। আমাৰ কহিমাৰ সংবাদদাতা এন আছানৌৱে জনোৱা মতে মহোৎসৱৰ আজি তৃতীয় দিনাৰ কাৰ্যসূচী কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। আজি দিনৰ ১০ বজাৰ পৰা হ'বলগীয়া অনুষ্ঠানত ছিকিমৰ পৰ্যটন মন্ত্ৰী শ্বেৰিং থেণ্ডুপ ভূটিয়া আৰু নতুন দিল্লীস্থিত পেৰুৰ ৰাষ্ট্ৰদূত পৌলিনিচ্চে অংশগ্ৰহণ কৰাৰ কথা। আজি কিচামা ঐতিহ্য গাঁৱত হৰ্ণবিল মহোৎসৱৰ সৈতে সংগতি ৰাখি আয়োজন কৰা দিব্যাংগ গৌৰৱ মেলা আৰু বিৰাটকায় ঢোল টনা খেল অনুষ্ঠিত হ'ব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

AIUDF দলে দলবিৰোধী কাৰ্যকলাপৰ অভিযোগত বিধায়ক জাকিৰ হুছেইন লস্কৰ আৰু নিজামুদ্দিন চৌধুৰীক ছবছৰৰ বাবে নিলম্বিত কৰিছে। আমাৰ হাইলাকান্দিৰ সংবাদদাতাই জনোৱামতে যোৱা ২৪

নৰেন্দ্ৰৰত দলটোৰ সভাপতি বদৰুদ্দিন আজমলে হাইলাকান্দিৰ বিধায়ক জাকিৰ হুছেইন লস্কৰক দলৰ পৰা বহিষ্কাৰ কৰাৰ পাছত কালি আলগাপুৰৰ বিধায়ক নিজামুদ্দিন চৌধুৰীক নিলম্বিত কৰাৰ কথা ঘোষণা কৰে। দলটোৰ কৰ্ণধাৰ কমিটীয়ে ঘাইকৈ অখিল গগৈ নেতৃত্বাধীন ৰাইজৰ দলৰ সৈতে এই বিধায়ক দুগৰাকীৰ ঘনিষ্ঠতাৰ বাবেই এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে লোকসভা নিৰ্বাচনৰ পূৰ্বৰে পৰা এই বিধায়ক দুগৰাকীৰ কেতবোৰ কাৰ্যকলাপ দলীয় স্থিতিৰ বিপৰীতমুখী হোৱা হেতুকে AIUDF দলৰ শীৰ্ষ নেতৃত্বই তেওঁলোকৰ বিৰুদ্ধে কাৰণ দৰ্শোৱা জাননী জাৰি কৰিছিল। দলবিৰোধী আইনৰ অধীনত দুয়োগৰাকী বিধায়কৰ বিধায়ক পদ খাৰিজ হ'ব নেকি, সেই বিষয়ে ৰাজনৈতিক মহলত চিন্তা-চৰ্চা চলিছে বুলি আমাৰ সংবাদদাতা নিলোৎপল দেৱে জনাইছে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰিয়ে স্থান পোৱা আমাৰ দৃষ্টিগোচৰ হৈছে।

ধংসপ্ৰাপ্ত বনাঞ্চলৰ সেউজ ৰূপ, অনুপ্ৰৱেশো ৰোধ শিৰোনামেৰে দৈনিক অসম কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। কাকতখনে মুখ্যমন্ত্ৰীগৰাকীয়ে দিল্লীত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সন্দৰ্ভত আলোচনা কৰাৰ বাতৰিকো প্ৰথম পৃষ্ঠাত স্থান দিছে।

নাগৰিকত্ব বিচাৰি ১২ গৰাকীৰ আবেদন এই শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। কাকতখনে নতুন ৰাজ্যিক সভাপতি নিযুক্তিৰ পিছত জানুৱাৰীতহে বৃহৎ মন্ত্ৰীসভাৰ ৰডবলদ হোৱাৰ সম্ভাৱনাৰ বাতৰিক কাকতখনে প্ৰকাশ কৰিছে। বাংলাদেশৰ সহকাৰী উচ্চায়ুক্তৰ কাৰ্যালয়ত বিক্ষোভকাৰীৰ আক্ৰমণ শিৰোনামৰ বাতৰিটো কাকতখনে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসমৰ জলবায়ু পৰিৱৰ্তনক লৈ ইছৰোৰ অধ্যক্ষ ড০ এছ পি সোমনাথে গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ বাতৰিটো আমাৰ অসম কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এফালে আদানীৰ কেলেংকাৰীৰ বাতৰিটোৰ লগতে বিদ্ৰোহী কৃষকসকল দিল্লীলৈ অগ্ৰসৰ হোৱাৰ বাতৰিক আমাৰ অসম কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

বাংলাদেশৰ সৈতে সকলো ধৰণৰ আমদানি আৰু ৰপ্তানি বন্ধৰ ঘোষণা কৰাৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শীঘ্ৰেই ৰাজ্যৰ চাৰি হেজাৰ ৬৬৯টা ঠিকাভিত্তিক শিক্ষকৰ পদ নিয়মীয়া কৰণ কৰাৰ বাতৰিটোৰ লগতে ধুবুৰীৰ বৰলুইতৰ সুবিশাল বক্ষ মৰুময় হৈ পৰা বাতৰিটো কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সংবিধান... সংসদত বাক যুদ্ধত মিলিত হ'ব শাসক বিৰোধী পক্ষ শিৰোনামেৰে অসমীয়া খবৰ কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। চৰাইদেউ মৈদামথলী চাউলুং চ্যুকাফাক স্মৰণ কৰি অসম দিৱস পালন কৰা বাতৰিক কাকতখনে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

কৃত্ৰিম উপগ্ৰহ মহাকাশ আৱৰ্জনাৰে আকাশ ঢাকিব শিৰোনামেৰে দৈনিক জনমভূমি কাকতে ৰাষ্ট্ৰসংঘৰ স্পেছ ট্ৰেফিক সমন্বয় বিষয়ক কমিটিৰ আশংকাৰ বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অচলাৱস্থাৰ অৱসান ঘটাই আজিৰে পৰা সংসদৰ কাৰ্যক্ৰমণিকা আৰম্ভ হোৱাৰ বাতৰিটো কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০০

বতৰৰ বতৰা– বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ অহা ২৪ ঘণ্টাৰ আগলি বতৰা অনুসৰি বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। ৰাজ্যত পুৱাৰ ভাগত কুঁৱলী পৰাৰ সম্ভাৱনা আছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৮ দশমিক ১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৪ ডিগ্ৰী ছেলছিয়াছ।

আজি গুৱাহাটীৰ তাপমাত্ৰাৰ বিশেষ তাৰতম্য নহয়। আনহাতে, উজনি অসমৰ উত্তৰ লখিমপুৰ নগৰত কালি উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বনিম্ন তাপমাত্ৰা ৬ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ ৰেকৰ্ড কৰা হয়। উত্তৰ লখিমপুৰত কালিৰ এই তাপমাত্ৰা শ্বিলং আৰু কোহিমাতকৈও কম আছিল বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জনাইছে।

০০০০০০০

গুৱাহাটী মাষ্টাৰ্ছ হাণ্ড্ৰেদ ২০২৪ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা আজিৰে পৰা গুৱাহাটীৰ সৰুসজাইৰ নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত আৰম্ভ হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ উদ্দেশ্যে ইতিমধ্যে বিশ্বৰ ২৩ খন দেশৰ পুৰুষ আৰু মহিলা শ্বাটলাৰসকল গুৱাহাটীত উপস্থিত হৈছে। এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে চীন আৰু জাপানৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰচিদে প্ৰকাশ কৰা অনুসৰি আয়োজক ভাৰতৰ পাছতে চীনৰ ৩২ জনীয়া দলটো প্ৰতিযোগিতাৰ সৰ্ববৃহৎ দল। প্ৰতিযোগিতাখনত ভাৰতীয় দলৰ হৈ অসমৰ ইশাৰাণী বৰুৱা, সুৰজ গোৱালা আৰু অৰিজিত চলিহাই কোৱালিফাইং মেচ খেলিব। প্ৰতিযোগিতাখনত পুৰুষ আৰু মহিলাৰ একক তথা ডাবলছৰ লগতে মিক্সড ডাবলছ শাখাতো খেল অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত ৪৬১ গৰাকী খেলুৱৈয়ে অংশ লব। অহা ৮ ডিচেম্বৰত প্ৰতিযোগিতাৰ অন্ত পৰিব।

০০০০০০

**সমাপ্ত**